**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-06-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আজি নিশা ১২ বাজি ২ মিনিট ১৩ ছেকেণ্ডত অম্বুবাচীৰ নিবৃত্তি হ'ব। সম্প্ৰতি বন্ধ থকা কামাখ্যা মন্দিৰৰ দুৱাৰ দেৱী স্নানৰ পাছত কাইলৈ ভক্তৰ বাবে মুকলি কৰি দিয়া হ'ব। আধ্যাত্মিক ৰীতি-নীতিৰে পুৱা দেৱী স্নান আৰু নিত্য পূজা সমাপনৰ পিছতে ভক্ত আৰু তীৰ্থ যাত্ৰীসকলে কামাখ্যা দেৱীৰ মন্দিৰ দৰ্শন কৰিব পাৰিব। প্ৰতিবছৰৰ দৰে এইবাৰো লাখ লাখ ভক্তৰ সমাগমেৰে নীলাচল পাহাৰৰ বুকুত অৱস্থিত কামাখ্যা মন্দিৰৰ চৌপাশ আধ্যাত্মিকতা আৰু মহামিলনৰ তীৰ্থলৈ পৰ্যবশিত হৈছে। কাইলৈ পুৱা মন্দিৰৰ দুৱাৰ খোলাৰ লগে লগে ভক্তসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ দেৱীৰ সেৱা কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভক্তৰ সুবিধাৰ অৰ্থে কাইলৈ আৰু পৰহিলৈ ৫০১টকীয়া টিকটৰ জৰিয়তে কৰা বিশেষ দৰ্শনৰ  ব্যৱস্থা নাথাকিব। একেদৰে, অহা ৩০ জুনলৈ ভি আই পি আৰু ভি ভি আই পিৰ বাবেও দৰ্শনৰ কোনো ব্যৱস্থা নাথাকিব। উল্লেখযোগ্য যে কাইলৈ দেৱী দৰ্শনৰ বাবে সমবেত দৰ্শনাৰ্থীসকলৰ সুবিধাৰ্থে বংশীবাগানত অস্থায়ী জিৰণি চ'ৰা আৰু চিকিৎসা সেৱা, প্ৰস্ৰাৱাগাৰ, খোৱাপানীৰ সুব্যৱস্থা কৰা হৈছে। কাইলৈ আৰু পৰহিলৈৰ বাবে মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত দৰ্শনাৰ্থীক ট'কেন দিয়া হ'ব।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ লুটুমাই সংৰক্ষিত বনাঞ্চল, দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চল, দৈয়াং সংৰক্ষিত বনাঞ্চল, যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চল আৰু বৰপানী সংৰক্ষিত বনাঞ্চলৰ পৰা দখলকাৰীক উচ্ছেদৰ নিৰ্দেশ বাহাল ৰাখিছে। কেইবাশ লোকে দাখিল কৰা আপীল আবেদন নাকচ কৰি আজি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ড বিচাৰপীঠে বনাঞ্চলকেইখনত উচ্ছেদ চলোৱাৰ বাবে পূৰ্বৰ এজনীয়া বিচাৰপীঠে দিয়া নিৰ্দেশ বাহাল ৰাখে। অৱশ্যে বাৰিষাৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি খণ্ড বিচাৰপীঠখনে বনাঞ্চলত অবৈধভাৱে বসবাস কৰা লোকসকলক আঁতৰি যোৱাৰ সময়সীমা পূৰ্বত ৩০ দিনৰ পৰিৱৰ্তে ৪৫ দিনলৈ বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে যোৱা ৮ জুনত উচ্চ ন্যায়ালয়ৰ এখন এজনীয়া বিচাৰপীঠে এই সংৰক্ষিত বনাঞ্চলকেইখনত অবৈধভাৱে বাস কৰা লোকসকলক ৩০ দিনৰ ভিতৰত বনাঞ্চলৰ ভূমিৰ পৰা আঁতৰি যাবলৈ নিৰ্দেশ দিছিল। তদুপৰি এই সময়সীমা অতিক্ৰম কৰাৰ পাছতেই ইয়াত বাস কৰা লোকসকলৰ গৃহৰ বিদ্যুৎ সংযোগ কৰ্তন কৰিবলৈও বিচাৰপীঠে অসম ৰাজ্যিক শক্তি বিতৰণ কোম্পানীৰ পৰিচালন সঞ্চালকক নিৰ্দেশ দিছিল। উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশক প্ৰত্যাহ্বান জনাই কেইবাশ লোকে দাখিল কৰা আপীল আবেদনসমূহ আজি মুখ্য ন্যায়াধীশ নেতৃত্বত গঠিত খণ্ড বিচাৰপীঠে খাৰিজ কৰি পূৰ্বৰ উচ্ছেদৰ নিৰ্দেশ বাহাল ৰাখে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ কাইলৈ ৰায় প্ৰদান কৰিব। অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কাইলৈ দিনৰ ২ বজাত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ ৰায় প্ৰদানৰ দিন ধাৰ্য কৰিছে।

০০০০

শ্ৰীভূমিৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীৰ সভাপতিত্বত আজি শ্ৰীভূমি জিলা আয়ুক্ত কাৰ্যালয়ত প্ৰসূতি আৰু শিশুৰ মৃত্যু সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ প্ৰসুতি আৰু শিশুৰ মৃত্যু কাৰণ, বিশ্লেষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। উপস্থিত বিষয়াসকলে মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে আন্তঃবিভাগীয় সমন্বয়, সময় উপযোগী স্বাস্থ্য সেৱা প্ৰদান আৰু জন সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে। নিৰাপদ মাতৃত্ব আৰু শিশুৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ সমন্বিত প্ৰচেষ্টা অনাগত দিনতো অব্যাহত থাকিব বুলি এই বৈঠকত উল্লেখ কৰা হয়। শ্ৰীভূমি জিলাৰ সহকাৰী আয়ুক্ত শ্ৰীমতী ৰাচিকা ইছলাম, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মতীন্দ্ৰ সূত্ৰধৰ, স্বাস্থ্য বিভাগৰ ভালেসংখ্যক বিষয়া আৰু চিকিৎসকৰ লগতে ষ্টাফ নাৰ্ছসকলো উপস্থিত থাকে।

০০০০

২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনিৰ অধীনত হিতাধিকাৰী নিৰ্বাচনৰ উদ্দেশ্যে আজি চৰাইদেউ জিলা উপায়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। চৰাইদেউ জিলা উপায়ুক্ত ডাঃ নেহা যাদৱে পৌৰহিত্য কৰা এই বৈঠকত আঁচনিখনৰ বাবে লাভ কৰাৰ আবেদনসমূহ পৰ্যালোচনা কৰা হয়। এই প্ৰক্ৰিয়াত স্বচ্ছতা আৰু যোগ্য হিতাধিকাৰীসকলক বাচনি কৰাটো নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। জিলাখনত আৰ্থিক সাহায্য আৰু বহনক্ষম জীৱিকাৰ বাবে প্ৰয়োজনীয় সমৰ্থন আগবঢ়াই যুৱ প্ৰজন্মৰ মাজত আত্মসংস্থান আৰু উদ্যোগশীলতাক প্ৰসাৰিত কৰাই এই আঁচনিৰ মূল্য লক্ষ্য।

০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত লোকপিয়ল ২০২৭ ৰ প্ৰথম পৰ্যায়ৰ অন্তৰ্গত গৃহ তালিকাভুক্তি আৰু গৃহ গণনা বিষয়ক ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ ৩ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। প্ৰশিক্ষণৰ আজি সামৰণিৰ দিনাৰ কাৰ্যসূচী হিচাপে ধাৰণাগত দিশসমূহৰ সন্দেহ দূৰীকৰণৰ আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পাছতে ব্যৱহাৰিক অধিবেশনত ক্ষেত্ৰ প্ৰশিক্ষকসকলে আৱাসিক এলেকালৈ গৈ লোকপিয়ল সমীক্ষা প্ৰদৰ্শন কৰে। এই কাৰ্যসূচীত গুৱাহাটীৰ লোকপিয়ল সঞ্চালকালয়ৰ দুগৰাকী উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। সামৰণি অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, বিভিন্ন ৰাজহ চক্ৰৰ বিষয়াসকল, সহকাৰী আয়ুক্ত, জিলা তথ্য বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ